আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, JANUARY 10, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ১৬ Guwahati, Assam ।। মূল্যঃ এটকা



## আহিছে আহিছে
# নাড্ডা আহিছে

ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাৰ পূৰ্বে অসমত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জেপি নাড্ডা। গুৱাহাটীত ৰোড-শ্ব’। যান-জঁট!

বিতং বাতৰি ২নং পৃষ্ঠাত

## প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানত ভাগ নোলোৱাৰ সিদ্ধান্ত কংগ্ৰেছৰ



আধৰুৱা অৱস্থাতে মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কৰিবলৈ লোৱাত ক্ষুব্ধ হৈ পৰিছে বহু ধৰ্মগুৰু

বিতং বাতৰি ৩ আৰু ৪নং পৃষ্ঠাত

# নিৰ্মাণ সম্পূৰ্ণ নোহোৱাকৈয়ে হ’ব মন্দিৰ উদ্বোধন!



উদ্বোধনী অনুষ্ঠানক লৈ চৰকাৰ ব্যস্ত হৈ পৰাৰ সময়তে অনুষ্ঠানটোক শাস্ত্ৰ বিৰুদ্ধ আখ্যা ৪ জনকৈ শংকৰাচাৰ্যৰ!

ৰাম মন্দিৰৰ উদ্বোধনী অনুষ্ঠানলৈ নাযায় পুৰীৰ শংকৰাচাৰ্য স্বামী নিশ্চলানন্দ সৰস্বতী, অবিমুক্তেশ্চৰানন্দ সৰস্বতীৰো অযোধ্যালৈ নোযোৱাৰ সিদ্ধান্ত গ্ৰহণ।

## আকৌ আদালতলৈ যাব থাকৰে
# সিন্ধেৰ চৰকাৰ সুৰক্ষিত!


বিধায়কক অযোগ্য ঘোষণা কৰাৰ আৰ্জি খাৰিজ অধ্যক্ষৰ। শেষ মুহূৰ্তত বিধানসভাৰ অধ্যক্ষৰ কৃপাত ৰক্ষা পৰিল একনাথ সিন্ধে নেতৃত্বাধীন মহাৰাষ্ট্ৰৰ চৰকাৰ। অধ্যক্ষৰ সিদ্ধান্তক মেচ ফিক্সিং আখ্যা প্ৰাক্তত মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেৰ।

বিতং বাতৰি ৫নং পৃষ্ঠাত



# ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাৰ পূৰ্বে গুৱাহাটীত নাড্ডাৰ ৰোড-শ্ব’

## ■ নাড্ডাৰ আগমনৰ ফলত যান-জঁট
## ■ অসমৰ আঢ়ৈ কোটি লোকক ৫ কেজিকৈ চাউল দিয়া বুলি দাবী
## ■ শংকৰদেৱক ভগৱান বুলি সম্বোধন


Alakesh Bhagawati
4h
Himanta Biswa Sarma sir, আপোনাৰ পাৰ্টিৰ প্ৰেচিডেন্ট জেপি নড্ডা আহিছে গুৱাহাটীলৈ৷ ভাৰতৰ ৰাষ্ট্ৰপতি অহা নাই৷ মোৰ ল’ৰা স্কুলৰ পৰা এতিয়ালৈ ঘৰ আহি পোৱা নাই৷ গোটেই ৰাস্তা বন্ধ কৰি কি নাটক কৰি আছেহে ছাৰ? আপোনাৰ পাৰ্টিৰ প্ৰেচিডেন্ট মোৰ কি হয়? ৰাইজৰ কোন হয় আপোনাৰ পাৰ্টিৰ প্ৰেচিডেন্ট?? আপোনাৰ কোনো প্ৰেচিডেন্টে মোৰ ল’ৰাৰ দৰে হাজাৰ হাজাৰ ছাত্ৰ ছাত্ৰীৰ ৰাস্তা বন্ধ কৰিবলৈ কি অধিকাৰ আছে? পাৰ্টিৰ নাটক পাৰ্টিৰ লেভেলত কৰক৷

মাজতে নগাঁওত গৈ নাটক এখন যে কৰিছিল D.C. ক মাতি বেয়াকৈ গালি দি " ৰজা মহাৰজা আয়েহে ক্যা?' মনত আছে? আজি কোন ৰজা আহিছে???

**নাড্ডাৰ ৰোড-শ্ব’ৰ ফলত মহানগৰীত তীব্ৰ যান-জঁট লগা পৰিলক্ষিত হয়৷ কেইবা ঠাইত এঘণ্টা পৰ্যন্ত গাড়ীৰ ভিতৰতে বৈ থাকিবলগীয়া হয় পথচাৰী৷**

**ই-সংবাদ, গুৱাহাটী, ১০ জানুৱাৰীঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে শাসকীয় বিজেপি দলে অসমত সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ অসম ৰাজ্যিক সমিতিৰ বিশেষ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰিছে৷ ৮ জানুৱাৰীত ৰঙিয়াত বিজেপিৰ মৰ্চাসমূহৰ বৈঠক অনুষ্ঠিত হয়৷ ৯ জানুৱাৰীত অসম বিজেপিৰ নিৰ্বাচনী পৰিকল্পনা সমিতিৰ বৈঠক অনুষ্ঠিত হয়। আজি ৰাজ্যিক কাৰ্নিৰ্বাহকৰ পূৰ্ণাংগ বৈঠক অনুষ্ঠিত হয়৷ এই বৈঠকত অংশ লবৰ বাবে ৯ জানুৱাৰীৰ নিশাই গুৱাহাটীত উপস্থিত হয় বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে.পি নাড্ডা৷ দুপৰীয়া মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে জে.পি নাড্ডাই এক বিশেষ ৰোড-শ্ব কৰে গুৱাহাটী মহানগৰীত৷ ৰোড-শ্ব যোগে পাঞ্জাবাৰীস্থিত শংকৰদেৱ কলাক্ষেত্ৰত উপস্থিত হয়৷ ৰাজ্যিক কাৰ্যনিৰ্বাহকত ভাষণ প্ৰদান কৰি মঞ্চত কাষতে বহি থকা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ভূয়সী প্ৰশংসা কৰে৷ ৰাষ্ট্ৰীয় সভাপতি নাড্ডাই অসমৰ বাবে প্ৰকাশ কৰা ভিজন ডুকমেণ্টত যিসমূহ বিষয় উত্থাপন কৰা হৈছিল সেই সকলোবোৰ কাৰ্যকৰী কৰি ‘সবকা সাথ সবকা বিকাশ’ মন্ত্ৰৰে কাম কৰি বুলি দাবী কৰে৷ নৰেন্দ্ৰ মোদীৰ চৰকাৰক প্ৰশংসা কৰি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে ‘সবকা সাথ সবকা বিকাশ’ মন্ত্ৰৰে কাম কৰাৰ ফলত দেশৰ ১৩ কোটি ৫০ লাখ পৰিয়াল দৰিদ্ৰ সীমা ৰেখাৰ ওপৰলৈ অহা বুলি দাবী কৰে৷ এই দাবী কৰি নাড্ডাই কয় “এই কথা মই কোৱা নাই৷ এই কথা কৈছে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিয়ে৷ এই চৰকাৰ জনতাৰ বাবে সমৰ্পিত চৰকাৰ৷ নৰেন্দ্ৰ মোদীৰ বাবে দেশত চাৰিটা জাতি আছে৷ গৰীব, যুৱ, অন্নদাতা কৃষক আৰু মহিলা৷ গৰীব, যুৱ, অন্নদাতা কৃষক আৰু মহিলাৰ যদি উন্নয়ন হয়, তেন্তে দেশৰ উন্নয়ন হয়৷ আমি দেশৰ ৮০ কোটি লোকক ৫ কেজি চাউল, গেহু প্ৰদান কৰি আহিছো৷ ইয়াৰে আঢ়ৈ কোটি লোক অসমৰ৷” নাড্ডাই ভাষণৰ আৰম্ভণিতে অসমক বীৰৰ ভূমি আখ্যা দি কয় যে মই যেতিয়া অসমক বীৰৰ ভূমি বুলি কও, তেতিয়া লাচিত বৰফুকনক পাহৰি যোৱাটো অনুচীত৷ লাচিতে মোগলৰ বিৰুদ্ধে যুঁজি অসমক ৰক্ষা কৰা বুলি কৈ আমি সেই ইতিহাস সদায়েই মনত ৰখা উচিত৷ ইয়াৰ লগতে ভগৱান শংকৰদেৱক পাহৰি যোৱাটো সম্ভৱ নহয় আৰু যদি ক’লাৰ কথা কও তেন্তে ভাৰতৰত্ন ভূপেন হাজৰিকাক আমি পাহৰিব নোৱাৰো বুলিও কয় নাড্ডাই৷ নাড্ডাই আৰু কয় যে আমি যি প্ৰতিশ্ৰুতি দিছিলো সকলো কৰি পেলাইছো৷ নৰেন্দ্ৰ মোদীয়ে আমাক শিকাইছে ‘ৰিপৰ্ট কাৰ্ড পলিটিক্স’৷ আমি যি কৈছিলো, সেই সকলোবোৰ কৰিছো৷ যি কথা কোৱা নাছিলো তাকো কৰিছো৷ অসমত আমি ৯০ হাজাৰ লোকক চাকৰি দিছো৷ বসুন্ধৰা আঁচনিৰ অধীনত ভূমি দিছো৷ বন বিভাগৰ ভূমি দখল কৰা লোকক উচ্ছেদ কৰি বন ভূমি মুকলি কৰা হৈছে বুলিও কয় নাড্ডাই৷ এই সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক সভাপতি ভবেশ কলিতা, বিজেপি অসম প্ৰদেশৰ প্ৰভাৰী বৈজয়ন্ত জয় পাণ্ডা উপস্থিত থাকে৷ উল্লেখ্য যে, অহা ১৪ জানুৱাৰীত ৰাহুল গান্ধীয়ে মণিপুৰৰ পৰা আৰম্ভ কৰিব ন্যায় যাত্ৰা৷ ৰাহুল গান্ধীৰ এই ভাৰত জোড়ো ন্যায় যাত্ৰাৰ পূৰ্বে অসম ভ্ৰমণ কৰে বিজেপিৰ সভাপতি জে.পি নাড্ডাই৷

# নিৰ্মাণ সম্পূৰ্ণ নোহোৱাকৈ ৰাম মন্দিৰ উদ্বোধনৰ যো-জা!

## ক্ষুদ্ধ ৪গৰাকীকৈ শংকৰাচাৰ্য

## শাস্ত্ৰ অনুসৰি কাৰ্য কৰিবলৈ পৰামৰ্শ




**ই-সংবাদ বিশেষ, ১০ জানুৱাৰীঃ** অযোধ্যাত এতিয়া উখল মাখল পৰিৱেশ। আৰু মাত্ৰ কেইটামান দিনৰ পিছতে অতি উলহ মালহেৰে অযোধ্যাত প্ৰাণ প্ৰতিষ্ঠা কৰা হ'ব বহু প্ৰত্যাশিত ৰাম মন্দিৰৰ। ২২ জানুৱাৰীত ৰাম মন্দিৰৰ অভিষেক হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হাতেৰে। ইতিমধ্যে এই আড়ম্বৰপূৰ্ণ অনুষ্ঠানক লৈ অযোধ্যাখন আটক ধুনীয়াকৈ সজাই পৰাই তোলাত ব্যস্ত হৈ পৰিছে উত্তৰ প্ৰদেশ চৰকাৰ। ভক্ত দৰ্শনাৰ্থী আৰু পৰ্যটকৰ বাবেও জাৰি কৰা হৈছে বিশেষ নিৰ্দেশনা। অযোধ্যাৰ এনে উখল মাখল পৰিৱেশ আৰু প্ৰাণ প্ৰতিষ্ঠালৈ মাজত আৰু মাত্ৰ কেইটামান দিন বাকী থকা সময়তে এগৰাকী প্ৰখ্যাত ধৰ্মগুৰুৰ এক আহ্বানে সৃষ্টি কৰিছে প্ৰতিক্ৰিয়াৰ। নিৰ্মাণ সম্পূৰ্ণ নোহোৱা ৰাম মন্দিৰত প্ৰাণ প্ৰতিষ্ঠা নকৰিবলৈ আহ্বান জনাইছে জগতগুৰু শংকৰাচাৰ্য স্বামী অবিমুক্তিানন্দ সৰস্বতী মহাৰাজে। উত্তৰমনায়া জ্যোতিষপীঠৰ মহাৰাজ স্বামী অবিমুক্তিনন্দ সৰস্বতীয়ে আধৰুৱা-অসম্পূৰ্ণ মন্দিৰত ঈশ্বৰ স্থাপন কৰাটো ন্যায়সংগত আৰু ধৰ্মীয় পৰম্পৰাৰ বিৰোধী বুলি মত প্ৰকাশ কৰাৰ পিছতে সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। স্বামী অবিমুক্তিনন্দ সৰস্বতীয়ে কয় যে আমি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বিৰোধী নহয়, আমাৰ তেখেতৰ প্ৰতি সমৰ্থন আছে। সেয়েহে, আমি তেখেতক শাস্ত্ৰ অনুসৰি কাৰ্য্য কৰিবলৈ পৰামৰ্শ দিছো। জগতগুৰু শংকৰাচাৰ্য স্বামী অবিমুক্তিনন্দ সৰস্বতী মহাৰাজে কয় যে অতীতৰ বিদ্যমান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি, ১৯৯২ চনত বিশেষ মুহূৰ্ত অবিহনে ৰামৰ মূৰ্তি স্থাপন কৰা হৈছিল। কিন্তু বৰ্তমান সময়ত পৰিস্থিতি অনুকূল। এনে পৰিস্থিতিত সঠিক সময়ৰ অপেক্ষা কৰিব লাগে। ঈশ্বৰক এটা আধৰুৱা-অসম্পূৰ্ণ মন্দিৰত স্থাপন কৰাটো ন্যায়সংগত আৰু ধৰ্মীয় নহয়। শংকৰাচাৰ্যই কয় যে নিৰ্মোহী আখাৰাক উপাসনা কৰাৰ অধিকাৰ দিয়াৰ লগতে ৰামানন্দ সম্প্ৰদায়ক মন্দিৰৰ ব্যৱস্থাৰ দায়িত্ব দিয়া উচিত। আনহাতে স্বামী অবিমুক্তিানন্দ সৰস্বতীয়ে ৰাম মন্দিৰ ন্যাসৰ সাধাৰণ সম্পাদক চম্পত ৰায়কে ধৰি সকলো বিষয়াক পদত্যাগ কৰিবলৈ দাবী জনায়। স্বামী অবিমুক্তিনন্দ সৰস্বতীয়ে পদত্যাগৰ দাবী উত্থাপন কৰাত ৰাম মন্দিৰ ন্যাসৰ সাধাৰণ সম্পাদক চম্পত ৰায়ে প্ৰত্যুত্তৰ দি কয় যে 'ৰাম মন্দিৰ ৰামানন্দ সম্প্ৰদায়ৰ লোকৰ, শংকৰাচাৰ্য শৈৱ আৰু শাক্তৰ নহয়'। ২২ জানুৱাৰীত ৰাম মন্দিৰ উদ্বোধনক লৈ বিতৰ্কৰ সৃষ্টি কৰি স্বামী অবিমুক্তিনন্দ সৰস্বতীয়ে কয় শংকৰাচাৰ্যই কেৱল ধৰ্ম ব্যৱস্থা প্ৰদান কৰে। ৰাম মন্দিৰ ন্যাসৰ সাধাৰণ সম্পাদক চম্পত ৰায়ে জানিব লাগে যে শংকৰাচাৰ্য আৰু ৰমানন্দ সম্প্ৰদায়ৰ শাস্ত্ৰ পৃথক নহয়। প্ৰথম অৱহেলা আৰু এতিয়া প্ৰেম উপচি পৰিছে। উল্লেখ্য যে, শংকৰাচাৰ্য স্বামী অবিমুক্তিনন্দ সৰস্বতী মহাৰাজেই নহয়, চাৰি পীঠৰ শংকৰাচাৰ্যসকলেও আধৰুৱা মন্দিৰত প্ৰাণ প্ৰতিষ্ঠা বিষয়ক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। চাৰি পীঠৰ শংকৰাচাৰ্যৰ তীব্ৰ প্ৰতিক্ৰিয়াৰ পাছতে ৰাম মন্দিৰ ন্যাসে কয় যে চাৰি পীঠৰ শংকৰাচাৰ্যৰ কোনো ৰাগ বিতৃষ্ণা নাই, কিন্তু তেওঁলোকে বিশ্বাস কৰে যে নিয়ম অনুসৰণ নকৰাকৈ মূৰ্তি স্থাপন কৰাটো নীতি বিৰুদ্ধ। ইপিনে শংকৰাচাৰ্যসকলৰ মাজৰ এজন পুৰীৰ গোবৰ্ধন পীঠৰ শংকৰাচাৰ্য স্বামী নিচলানন্দ সৰস্বতীয়ে প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানত অংশ নলয় বুলি স্পষ্ট কৰিছে। অনুষ্ঠানত ৰাজনৈতিক ব্যক্তিৰ অংশগ্ৰহণক লৈ অসন্তুষ্ট নিচলানন্দ সৰস্বতী। শংকৰাচাৰ্য নিচলানন্দ সৰস্বতীয়ে প্ৰধানমন্ত্ৰী মোদীয়ে ৰামৰ মূৰ্তিৰ ভৌতিক স্থাপনত অংশগ্ৰহণ কৰা উচিত নহয় বুলি কৈ কয় যে মূৰ্তি পবিত্ৰ কৰাৰ দায়িত্ব পুৰোহিত আৰু সাধুসকলৰ, ৰাজনীতিবিদসকলৰ নহয়। ইমান ৰাজনীতিবিদ কিয় উপস্থিত থাকিব বুলি আশা কৰা হৈছে? তেওঁ অনুষ্ঠানৰ পৰা বিৰত থকাৰ সিদ্ধান্তক ন্যায়ৰ সিদ্ধান্ত বুলিও কয় নিচলানন্দ সৰস্বতীয়ে। অভিযোগ মতে, শংকৰাচাৰ্যসকলক অৱহেলা কৰা হৈছে। ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ কাম শংকৰাচাৰ্যসকলে কৰিব লাগিছিল। কিন্তু নৰেন্দ্ৰ মোদীয়ে সেই কাম কৰিব খুজিছে বুলি অভিযোগ উঠিছে।

# আধৰুতৱা ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কাৰ্যসূচীলৈ নাযায় কংগ্ৰেছ নেতা

**নতুন দিল্লী, ১০ জানুৱাৰীঃ** ভগৱান ৰামক আমাৰ দেশত লাখ লাখ লোকে পূজা কৰে। ধৰ্ম এটা ব্যক্তিগত বিষয়। কিন্তু আৰএছএছ-বিজেপিয়ে দীৰ্ঘদিন ধৰি অযোধ্যাৰ মন্দিৰক এটা ৰাজনৈতিক প্ৰকল্প ৰূপে ব্যৱহাৰ কৰি আহিছে। আজি এই অভিযোগ উত্থাপন কৰি ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কাৰ্যসূচীত উপস্থিত নথকাৰ ঘোষণা কৰে কংগ্ৰেছে৷ ২০১৯ চনৰ উচ্চতম ন্যায়ালয়ৰ ৰায়ক স্বীকাৰ কৰাৰ লগতে ভগৱান ৰামক সন্মান কৰা লাখ লাখ লোকৰ অনুভূতিক সন্মান জনাই কংগ্ৰেছৰ নেতাসকলে এই অনুষ্ঠানত অংশ নোলোৱাৰ সিদ্ধান্তৰ কথা আজি কংগ্ৰেছে এক বিবৃতি যোগে প্ৰকাশ কৰিছে৷ উল্লেখ্য যে, ডিচেম্বৰ মাহত কংগ্ৰেছৰ সভাপতি তথা ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা মল্লিকাৰ্জুন খাৰ্গে, কংগ্ৰেছ সংসদীয় দলৰ অধ্যক্ষ ছোনিয়া গান্ধী আৰু লোকসভাত কংগ্ৰেছৰ দলপতি অধীৰ ৰঞ্জন চৌধুৰীক ২২ জানুৱাৰীৰ অযোধ্যাত ৰাম মন্দিৰৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকিবলৈ আমন্ত্ৰণ জনোৱা হৈছিল। কিন্তু আধৰুৱা ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কাৰ্যসূচীলৈ নাযায় কংগ্ৰেছ৷ আজি এক আনুষ্ঠানিক বিবৃতি যোগে স্পষ্ট কৰিছে কংগ্ৰেছে৷ কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে কয় “প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানত অংশগ্ৰহণ নকৰে সৰ্বভাৰতীয় কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, কংগ্ৰেছ নেত্ৰী ছোনীয়া গান্ধী, লোকসভাৰ বিৰোধী দলপতি অধীৰ ৰঞ্জন চৌধুৰীয়ে৷ জয়ৰাম ৰমেশে কয় ‘ভগৱান ৰামক কোটি কোটি লোকে পূজা-অৰ্চনা কৰে৷ ধৰ্ম মানুহৰ ব্যক্তিগত বিষয়৷ কিন্তু বিজেপি আৰু আৰএছএছে বছৰ বছৰ ধৰি ৰাম মন্দিৰক এক ৰাজনৈতিক আখৰা হিচাপে ব্যৱহাৰ কৰি আহিছে৷ অৰ্ধনিৰ্মিত মন্দিৰ উদ্বোধন কেৱল নিৰ্বাচনী লাভালাভৰ বাবে কৰিবলৈ আগবাঢ়িছে৷ ২০১৯ চনত উচ্চতম ন্যায়ালয়ৰ ৰায়ক স্বীকাৰ কৰি মানুহৰ আস্থাক সন্মান জনাই বিজেপি আৰু আৰএছএছৰ এই আয়োজনক স-সন্মানে অস্বীকাৰ কৰিছে৷

# ৩৪ বছৰ বয়সত প্ৰধানমন্ত্ৰী ৰূপে শপত সমকামী গেব্ৰিয়েল অট্টালৰ

**পেৰিছ, ১০ জানুৱাৰীঃ** বিশ্বৰ প্ৰথমগৰাকী সমকামী লোকে কোনো দেশৰ শীৰ্ষ আসনত অধিষ্ঠিত হৈছে৷ ফ্ৰান্সৰ প্ৰধানমন্ত্ৰী হিচাপে প্ৰথমগৰাকী সমকামী লোকে শপত লৈছে৷ তেওঁৰ নাম হৈছে গেব্ৰিয়েল অট্টাল৷ বয় হৈছে ৩৪ বছৰ। ফ্ৰান্সৰ শীৰ্ষ আসনত অধিষ্ঠিত ৩৪ বছৰীয়া অট্টালে নিজকে সমকামী বুলি পৰিচয় দিবলৈ কুণ্ঠাবোধ নকৰে৷ ফ্ৰান্সৰ ইতিহাসত প্ৰথমজন সমকামী প্ৰধানমন্ত্ৰী অট্টালে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ দায়িত্ব গ্ৰহণ কৰিছে। ফ্ৰান্সৰ সংসদত আন এজন সমকামী সদস্য সাংসদ ষ্টেফান চেজৰ্নো আছে। ৯ জানুৱাৰীত অট্টালক প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি দিছে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰনে। ফ্ৰান্সৰ লগতে বিশ্বৰ ইতিহাসত কম বয়সীয়া প্ৰধানমন্ত্ৰী পৰিগণিত হৈছে অট্টাল। অট্টালৰ তিনিগৰাকী কনিষ্ঠ ভগ্নী আছে৷ ভগ্নীসকলৰ সৈতে পেৰিছত পঢ়া-শুনা কৰাৰ লগতে ২০১৫ চনত পিতৃৰ মৃত্যু হোৱাত পৰিয়ালৰ দায়িত্ব নিজেই গ্ৰহণ কৰি আহিছে৷ গেব্ৰিয়েল অট্টালে ইহুদী ধৰ্ম পালন কৰে৷ এতিয়াৰ পৰা ইউৰোপীয় সংসদৰ নিৰ্বাচনত ফ্ৰান্সক নেতৃত্ব দিব প্ৰধানমন্ত্ৰী গেব্ৰিয়েল অট্টালে। ফ্ৰান্সৰ ৰাজনীতিত অট্টালৰ কম সময়ৰ ভিতৰতে উত্থান ঘটিছিল। ১০ বছৰ পূৰ্বে ফ্ৰান্সৰ স্বাস্থ্য মন্ত্ৰালয়ৰ উপদেষ্টা আছিল। ২০১৭ চনৰ নিৰ্বাচনত অট্টাল সাংসদ নিৰ্বাচিত হয়। সংসদত অনুষ্ঠিত বিতৰ্কত অংশ লৈ চৰ্চালৈ আহে৷ বাকপটু হোৱাৰ বাবেই ২০২০ চনত ফ্ৰান্স চৰকাৰৰ মুখপাত্ৰৰ দায়িত্ব লোৱাৰ লগতে ২৯ বছৰ বয়সত শিক্ষা মন্ত্ৰালয়ৰ দায়িত্ব লাভ কৰে। সোমবাৰে প্ৰধানমন্ত্ৰী এলিজাবেথ বৰ্ণীয়ে পদত্যাগ ঘোষণা কৰাত ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰনে অট্টালক প্ৰধানমন্ত্ৰী নিযুক্তি দিয়ে।



# বিধানসভাৰ অধ্যক্ষৰ কৃপা, ৰক্ষা পৰিল মহাৰাষ্ট্ৰৰ সিন্ধে চৰকাৰ

## ■ বিধায়কক অযোগ্য ঘোষণা কৰাৰ আৰ্জি খাৰিজ অধ্যক্ষৰ

## ■ অধ্যক্ষৰ সিদ্ধান্তক মেচ ফিক্সিং আখ্যা

## ■ পুনৰ সৰ্বোচ্চ ন্যায়ালয়লৈ যাব উদ্ধৱ

**মুম্বাই, ১০ জানুৱাৰীঃ** মহাৰাষ্ট্ৰৰ শিৱসেনাৰ উদ্ধৱ গোট আৰু সিন্ধে গোটৰ মাজৰ ক্ষমতা কেন্দ্ৰিক যুঁজত আজি এখোজ আগবাঢ়িল সিন্ধে গোটা উচ্চতম ন্যায়ালয়ৰ কঠোৰ নিৰ্দেশৰ পাছতে মহাৰাষ্ট্ৰ বিধানসভাৰ অধ্যক্ষ ৰাহুল নাৰ্ৱেকাৰে বিধায়কক অযোগ্য ঘোষণা কৰিবলৈ দিয়া আবেদন সন্দৰ্ভত সিদ্ধান্ত লৈ সিন্ধে গোটৰ সমৰ্থনত ৰায় দিয়ে৷ দলটো দুভাগ হোৱাৰ পূৰ্বে দলৰ বিৰুদ্ধে বিসম্বাদ কৰা শিৱসেনাৰ কমেও ২০ বিধায়কক অযোগ্য ঘোষণা কৰাৰ দাবী জনাই আবেদন দিছিল সেই সময়ৰ শিৱসেনাৰ সভাপতি তথা তদানীন্তন মুখ্যমন্ত্ৰী উদ্ধৱ থাকেৰেই৷ কিন্তু বিধানসভাৰ অধ্যক্ষই আসন ত্যাগ কৰাৰ ফলত আবেদন সন্দৰ্ভত সিদ্ধান্ত অমীমাংসিত হৈ থাকে৷ কিন্তু শিৱসেনাৰ বিসম্বাদী গোটৰ সৈতে বিজেপিয়ে চৰকাৰ গঠনৰ পাছতে আবেদন সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ কাষ চাপে উদ্ধৱ থাকৰে৷ কিন্তু বাৰে বাৰে ন্যায়ালয়ৰ আদেশ অমান্য কৰিছিল বিধানসভাৰ এতিয়াৰ অধ্যক্ষ ৰাহুল নাৰ্ৱেকাৰে৷ উচ্চতম ন্যায়ালয়ে ১০ জানুৱাৰীৰ ভিতৰতে সিদ্ধান্ত ল'বলৈ অধ্যক্ষক কঠোৰ নিৰ্দেশনা প্ৰদান কৰে৷ ফলত আজি অধ্যক্ষই মুখ্যমন্ত্ৰী একনাথ সিন্ধেৰ দলটোক প্ৰকৃত শিৱসেনা দল বুলি অভিহিত কৰি বিধায়কক অযোগ্য ঘোষণা কৰিবলৈ দিয়া আবেদন খাৰিজ কৰে৷ মহাৰাষ্ট্ৰ বিধানসভাৰ অধ্যক্ষ ৰাহুল নাৰ্ৱেকাৰে কয় যে মুখ্যমন্ত্ৰী একনাথ সিন্ধেৰ গোট প্ৰকৃত শিৱসেনা। অধ্যক্ষ নাৰ্ৱেকাৰে কয় যে নিৰ্বাচন আয়োগত উপস্থাপন কৰা দলটোৰ সংবিধান বৈধ হ'ব। যিখন সংবিধান নিৰ্বাচন আয়োগৰ ওচৰত উপলব্ধ। আমি নিৰ্বাচন আয়োগক দলৰ সংবিধানৰ প্ৰতিলিপি বিচাৰিছিলো। আমাক সংবিধানৰ এটা প্ৰতিলিপি প্ৰদান কৰিছিল। নিৰ্বাচন আয়োগত ২০১৮ চনত সংশোধিত সংবিধানৰ ৰেকৰ্ড উপলব্ধ নহয়। সেয়েহে, ২০১৮ চনৰ সংশোধিত সংবিধান গ্ৰহণ কৰাৰ থাকৰে গোটৰ দাবী মানি ল'ব নোৱাৰি। অধ্যক্ষগৰাকীয়ে কয় যে দলটোৱে কেতিয়াও অধ্যক্ষৰ ওচৰত সংবিধানৰ কোনো প্ৰতিলিপি দাখিল কৰা নাছিল৷ কিন্তু অধ্যক্ষই সিদ্ধান্ত ৰাজহুৱা কৰাৰ পূৰ্বেই নাৰাজ হৈছিল উদ্ধৱ পন্থী শিৱসেনা৷ কিয়নো মুখ্যমন্ত্ৰী একনাথ সিন্দেয়ে সিদ্ধান্ত লোৱাৰ পূৰ্বেই অধ্যক্ষক সাক্ষাৎ কৰিছিল৷ ইতিমধ্যে ৰায়দানৰ গোটে উচ্চতম ন্যায়ালয়ৰ কাষ চাপে৷ পক্ষপাতিত্ব কৰা বুলি উদ্বেগ প্ৰকাশ কৰাৰ লগতে মেচ ফিক্সিং বুলি অভিহিত কৰে উদ্ধৱ থাকৰেই৷ দেশৰ শীৰ্ষ আদালতে ১১ মে'ত অধ্যক্ষক প্ৰকৃত শিৱসেনা কোনটো সিদ্ধান্ত ল'বলৈ নিৰ্দেশ দিছিল নিৰ্বাচন আয়োগক। অধ্যক্ষক ৩১ ডিচেম্বৰৰ ভিতৰত অযোগ্যতাৰ আৱেদনৰ ওপৰত ৰায় দিবলৈ কৈছিল। ২০ ডিচেম্বৰত উচ্চতম ন্যায়ালয়ে নাৰ্ৱেকাৰক ১০ দিনৰ সময় বান্ধি দিছিল৷ অধ্যক্ষই দুয়ো শিবিৰে দাখিল কৰা ৩৪ খন আৱেদনৰ ওপৰত ২০টাতকৈও অধিক শুনানি সম্পূৰ্ণ কৰে৷ আইনসভাৰ দ্বাৰা নিযুক্ত বিষয়া আৰু অধিবক্তাৰ এটা দলে ইতিমধ্যে ২.৬৭ লাখতকৈও অধিক নথিপত্ৰ পৰীক্ষা কৰে৷ মহাৰাষ্ট্ৰ বিধানসভাৰ অধ্যক্ষ ৰাহুল নাৰ্ৱেকাৰে বিধায়কসকলৰ অযোগ্যতাৰ গোচৰত সিদ্ধান্ত ঘোষণা কৰি ২০২২ চনৰ ২১ জুনত দলটো উলম্ব বিভাজন হোৱাৰ কথাও উল্লেখ কৰে৷ একনাথ সিন্দে গোট প্ৰকৃত শিৱসেনা আছিল বুলি কয়। উদ্ধৱ থাকৰেৰ প্ৰতি অনুগত ১৬ বিধায়কৰ ভিতৰত ১৪ জনৰ অযোগ্যতাৰ বাবে সিন্ধে গোটে দিয়া দাবীও নাকচ কৰে অধ্যক্ষই। উল্লেখ্য যে, যদি সিন্ধে গোটৰ ২০ বিধায়কক অযোগ্য ঘোষণা কৰিলে সিন্ধে চৰকাৰৰ পতন নিশ্চিত আছিল৷

# পঞ্চভূতত বিলীন হ'ল বিশিষ্ট শিল্পী ভূপেন উজীৰ

## ৰাজ্যজুৰি শোকৰ ছাঁ, মুখ্যমন্ত্ৰীৰো শোক প্ৰকাশ

**ই-সংবাদ, গুৱাহাটী, ১০ জানুৱাৰীঃ** বিশিষ্ট সংগীত শিল্পী ভূপেন উজীৰে মঙলবাৰে নিশা অচিনা দেশলৈ মেলানি মাগে৷ কেইবাটাও দশক ধৰি অসমৰ সংগীত ক্ষেত্ৰক সমৃদ্ধ কৰা ভূপেন উজীৰে সংগীত জগতখনকে উকা কৰি চিৰবিদায় মাগিলে৷ ৯ জানুৱাৰীৰ নিশা ১০ বজাত গুৱাহাটীৰ নেমকেয়াৰ হাস্পতালত চিকিৎসাধীন অৱস্থাত শেষ নিশ্বাস ত্যাগ কৰে উজীৰে। এই খবৰ ৰাষ্ট্ৰ হোৱাৰ পাছতে ৰাজ্যত শোকৰ ছাঁ পৰে৷ ১০ জানুৱাৰীৰ পুৱা হাস্পতালৰ পৰা নশ্বৰদেহ নিজ বাসগৃহলৈ নিয়াৰ পাছতে অগণন গুণমুগ্ধই শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে৷ পাছত শেষযাত্ৰা কৰি নশ্বৰদেহ নৱগ্ৰহ শ্মশানলৈ নিয়া হয়৷ হিন্দু ধৰ্মৰ ৰীতি-নীতি মতে নৱগ্ৰহ শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়। ইহসংসাৰত পত্নী শান্তা উজীৰ, কন্যা প্ৰীতিস্মিতা উজীৰ খানুজা আৰু কীৰ্তিকা উজীৰ শৰ্মাক এৰি থৈ যায়। জানিব পৰা মতে, শ্বাস-প্ৰশ্বাসৰ সমস্যাৰ বাবে ১ জানুৱাৰীত শিল্পীগৰাকীক গুৱাহাটীৰ নেমকেয়াৰ হাস্পতালত ভৰ্তি কৰিছিল পৰিয়ালে। ১৯৫৩ চনৰ ৫ এপ্ৰিলত যোৰহাটত জন্ম হৈছিল ভূপেন উজীৰৰ। যোৰহাটত শৈশৱ পাৰ কৰি সংগীতৰ সাধনা কৰিবৰ বাবে গুৱাহাটীলৈ গুছি আহে। শিক্ষা সাং কৰি ভাৰতীয় খাদ্য নিগমত চাকৰিত যোগদান কৰিছিল৷ পাছত চাকৰি ত্যাগ কৰি সংগীতৰ সাধনাত মনোনিৱেশ কৰে৷ তাৰ পাছতে গীতানগৰৰ ভাড়াঘৰত আৰম্ভ কৰিছিল অডিটেক নামৰ নিজৰ ষ্টুডিঅ'৷ ডেকাকালৰ পৰা সংগীতৰ সাধনা কৰা চিৰযুগমীয়া বহু সংগীত উপহাৰ দিছে৷ একেৰাহে সংগীত পৰিচালক, সুৰকাৰ, গীতিকাৰ, শব্দযন্ত্ৰী, বাদ্যযন্ত্ৰী হিচাপে খ্যাতি আছিল শিল্পী ভূপেন উজীৰৰ। প্ৰথমবাৰ 'দেৱী' নামৰ ছবিখনৰ সংগীত পৰিচালনা কৰিছিল। তাৰ পাছৰে পৰা পিছলৈ ঘূৰি চাবলগীয়া হোৱা নাছিল৷ ব'হাগৰ দুপৰীয়া, প্ৰতিদান, জীৱন সুৰভি, জখম, উৰ্বশী, এই মৰম তোমাৰ বাবে, পিতা-পুত্ৰ, ভাই ভাই, যৌৱনে আমনি কৰে, বুকুৰ মাজত জ্বলে, অঘৰী আত্মাৰ আদিকে ধৰি কুৰিখন অসমীয়া বোলছবিৰ সংগীত পৰিচলনা কৰিছিল উজীৰে৷ আশীৰ দশকৰ পৰা শান্তা উজীৰ আৰু ভূপেন উজীৰৰ যুটী আছিল অত্যন্ত জনপ্ৰিয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শোক প্ৰকাশ কৰি অসমৰ সাংস্কৃতিক জগতখনলৈ আগবঢ়োৱা অৱদানক ৰোমন্থন কৰি উজীৰৰ বিয়োগ সাংস্কৃতিক জগতখনৰ বাবে অপূৰণীয় ক্ষতি বুলি কয়৷

# চিআইটিৰ দ্বিতীয় সমাৱৰ্তন সম্পন্ন

**ই-সংবাদ, কোকৰাঝাৰ, ১০ জানুৱাৰীঃ** কোকৰাঝাৰ সদৰ চহৰৰ নাতিদূৰৈৰ বালাগাঁওস্থিত কেন্দ্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান চমুকৈ চিআইটিৰ আজি দ্বিতীয় সমাৱৰ্তন সম্পন্ন হয়। চিআইটি কেম্পাচৰ পৰিবৰ্তে কোকৰাঝাৰৰ বড়োফা সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত হোৱা দ্বিতীয় সমাৱৰ্তন অনুষ্ঠানত ২০২২-২০২৩ শিক্ষাবৰ্ষৰ ১১ গৰাকীক পিএইচডি, ৯৪ গৰাকীক স্নাতকোত্তৰ, ২৬১ গৰাকী স্নাতকক তেওঁলোকৰ চাৰ্টিফিকেট প্ৰদান কৰাৰ লগতে ১৬৫ গৰাকী ডিপ্ল'মা চাৰ্টিফিকেট প্ৰদান কৰা হয়। আজি অনুষ্ঠিত হোৱা চিআইটিৰ দ্বিতীয় সমাবৰ্তন অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত আইআইটি গুৱাহাটীৰ প্ৰতিষ্ঠাপক সঞ্চালক ধীৰেন্দ্ৰ নাথ বুঢ়াগোঁহাই। তদুপৰি অনুষ্ঠানত বৰ্ড অব গৰ্ভনৰৰ অধ্যক্ষ নীশিকান্ত ভি দেশপাণ্ডে, চিআইটিৰ সঞ্চালক প্ৰফেচৰ এ শ্ৰীনিভাশন, পঞ্জীয়ক চৈতালী ব্ৰহ্ম আৰু বিটিচি প্ৰধান প্ৰমোদ বড়োও উপস্থিত থাকে। অনুষ্ঠানৰ অন্তত চিআইটিৰ বৰ্ড অব গৰ্ভনৰৰ অধ্যক্ষ নীশিকান্ত ভি দেশপাণ্ডে সংবাদমাধ্যমৰ আগত কয় যে অনাগত সময়ছোৱাত চিআইটি অধিক সুন্দৰ ৰূপত জিলিকি উঠিব। ছাত্ৰ -ছাত্ৰীৰ কেম্পাচ নিযুক্তি সন্দৰ্ভতো কাৰ্যব্যৱস্থা লোৱা হ'ব বুলি সদৰি কৰি অহা ছমাহত শিক্ষানুষ্ঠানখনত আমুল পৰিৱৰ্তন দেখিবলৈ পাববুলি সদৰি কৰিছে নীশিকান্ত ভি দেশপাণ্ডেই। আনহাতে অনুষ্ঠানত উপস্থিত থাকি বিটিচি প্ৰধান প্ৰমোদ বড়োই শিক্ষাৰ্থীসকলক শুভেচ্ছা জ্ঞাপন কৰি চিআইটিৰ যোগেদি ছাত্ৰ ছাত্ৰীসকলে নিজকে গঢ়াৰ সুবিধা পাইছে বুলি মত প্ৰকাশ কৰিছে। চিআইটি কোকৰাঝাৰে শৈক্ষিক ক্ষেত্ৰত উল্লেখনীয় অৱদান আগবঢ়োৱাৰ লগতে অঞ্চলটোৰ শান্তি আৰু প্ৰগতিৰ সূচাংক হিচাপেও চিহ্নিত হৈছে। উল্লেখ্য যে আজিৰ সমাবৰ্তন অনুষ্ঠানত ৩০০ তকৈ অধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থকাৰ লগতে শিক্ষাখণ্ডৰ সতে জড়িত বহু বিশিষ্ট অতিথিয়ে অংশগ্ৰহণ কৰে।

# নুনমাটিত জিলা প্ৰশাসনৰ পথ সজাগতা সুৰক্ষা প্ৰশিক্ষণ




**ই-সংবাদ, ১০ জানুৱাৰীঃ** ক্ৰমবৰ্ধমান পথ দুৰ্ঘটনাই বহুতো পৰিয়াললৈ নমাই আনিছে অমানিশা। এনে পৰিপ্ৰেক্ষিতত সৰ্বসাধাৰণৰ মাজত পথ দুৰ্ঘটনা সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে আগন্তুক ১১ জানুৱাৰীৰ পৰা ১৬ জানুৱাৰীলৈ গুৱাহাটী মহানগৰীত চলিব পথ সুৰক্ষা সজাগতা সপ্তাহ। এই সজাগতা সপ্তাহত পৰিবহণ বিভাগে বিভিন্ন অঞ্চলত স্বেচ্ছাসেৱকৰ দ্বাৰা জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰিব। এই উপলক্ষে কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু নেহৰু যুৱ কেন্দ্ৰ,কামৰূপ মহানগৰৰ সহযোগত নুনমাটিত যোৱা ৯ জানুৱাৰীত যুৱক-যুৱতীৰ মাজত এক প্ৰশিক্ষণ অনুষ্ঠিত কৰা হয়। এদিনীয়া এই প্ৰশিক্ষণত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে কামৰূপ মহানগৰ জিলাৰ যানবাহন শাখাৰ জিলা পৰিৱহণ বিষয়াজয়সিং ৰংফাৰ। প্ৰায় ১৫০ গৰাকী স্বেচ্ছাসেৱকক এই অনুস্থানত পথ সুৰক্ষা সম্পৰ্কত প্ৰশিক্ষণ প্ৰদান কৰা হয়। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে এ.ভি.এম. মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেন চন্দ্ৰ তালুকদাৰ, গুৱাহাটী ছাত্ৰ সন্থাৰ প্ৰাক্তন সম্পাদক নয়নজ্যোতি নাথ, নেহৰু যুৱ কেন্দ্ৰ, কামৰূপ মহানগৰৰ জিলা যুৱ বিষয়া চয়ন শুক্লবৈদ্য আৰু জীৱন চন্দ্ৰ দলে। মহানগৰীৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে এই অনুস্থানত অংশগ্ৰহণ কৰে। পৰৱৰ্তী এসপ্তাহ প্ৰশিক্ষণ গ্ৰহণ কৰা এইসকল ছাত্ৰ-ছাত্ৰীয়ে জনসাধৰক পথ সুৰক্ষা সম্পৰ্কে সজাগ কৰিবলৈ প্ৰয়াস কৰিব বুলি জানিবলৈ দিছে পৰিবহণ বিভাগে।

# বঙাইগাঁৱৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক জ্যোস্না ৰাণী বৰ্মনক নিলম্বন

**ই-সংবাদ, বঙাইগাঁও, ১০ জানুৱাৰীঃ** ৰাজ্যৰ চৰকাৰী শিক্ষানুষ্ঠানত মহাধুমধামেৰে গুণোৎসৱ চলি থকাৰ সময়তে এগৰাকী স্কুল পৰিদৰ্শকক চাকৰিৰ পৰা নিলম্বন কৰিছে ৰাজ্য চৰকাৰে। বঙাইগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক জ্যোস্না ৰাণী বৰ্মনক কৰ্তব্য পালনত গাফিলতি কৰাৰ অভিযোগত নিলম্বন কৰে ৰাজ্য চৰকাৰে। শিক্ষা বিভাগে প্ৰকাশ কৰা এক নিৰ্দেশনাযোগে শিক্ষা বিভাগে নিলম্বনৰ সিদ্ধান্ত লোৱাৰ কথা প্ৰকাশ কৰিছে। মাধ্যমিক শিক্ষা সঞ্চালকৰ পৰা লাভ কৰা প্ৰতিবেদনৰ ভিত্তিত বিদ্যালয় পৰিদৰ্শক জ্যোস্না ৰাণী বৰ্মনৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হয়। জানিব পৰা মতে, বিশেষ পৰিক্ষা অনুষ্ঠিত কৰাৰ সময়ত কাৰ্যালয়ত উপস্থিত নাছিল বৰ্মন। ৩১ ডিচেম্বৰত ৰাজ্যিক শৈক্ষিক পৰিষদে অষ্টম, নৱম, আৰু দশম শ্ৰেণীৰ প্ৰতিভা সন্ধানী পৰীক্ষা অনুষ্ঠিত কৰিছিল। পৰিদৰ্শক বৰ্মনক প্ৰতিভা সন্ধানী পৰীক্ষাৰ নিৰীক্ষকৰ দায়িত্ব দিয়া হৈছিল। কেৱল নিৰীক্ষকে নহয় নামনি অসমৰ ধুবুৰী, দক্ষিণ শালমাৰা, কোকৰাঝাৰ, চিৰাং, গোৱালপাৰা আৰু বঙাইগাঁও জিলাৰ মাগুলিক তত্বাৱধায়ক নিযুক্তি দিয়া হৈছিল। অসমৰ মাধ্যমিক শিক্ষা সঞ্চালকে প্ৰতিভা সন্ধানী পৰীক্ষা প্ৰশ্নবহী নিৰ্দিষ্ট কেন্দ্ৰলৈ প্ৰেৰণ কৰিব বিচৰাৰ সময়ত বঙাইগাঁৱৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক জ্যোস্না ৰাণী বৰ্মন মুখ্য কাৰ্যালয়ত উপস্থিত নাছিল। ছুটীৰ আবেদন নকৰাকৈ কৰ্তব্যত অনুপস্থিত থকা বিদ্যালয়সমূহৰ পৰিদৰ্শক জ্যোস্না ৰাণী বৰ্মনৰ বিৰুদ্ধে শিক্ষা বিভাগে ব্যৱস্থা গ্ৰহণ কৰে। বৰ্মন সংশ্লিষ্ট কৰ্তৃপক্ষক অৱগত নকৰাকৈ ৰাজ্যৰ বাহিৰত থকাৰ অভিযোগ উঠিছে।

শেষ পৃষ্ঠা

# শীৰ্ষ বাছনিত জক'ভিচ আৰু স্বোইটেক

**মেলবৰ্ণ, ১০ জানুৱাৰীঃ** দেওবাৰৰ পৰা ইয়াৰ মেলবৰ্ণ পাৰ্কত বছৰৰ প্ৰথমখন গ্ৰেণ্ডশ্লেম টেনিছ টুৰ্ণামেণ্ট অনুষ্ঠিত হ'ব। আজি প্ৰকাশ কৰা বাচনি অনুসৰি ছাৰ্বিয়ান তাৰকা ন'ভাক জক'ভিচে পুৰুষৰ শীৰ্ষ বিচনি লাভ কৰিছে। এতিয়ালৈকে সৰ্বাধিক ২৪ টা গ্ৰেণ্ডশ্লেম খিতাপ জয় কৰা জক'ভিচ বৰ্তমান এ টি পি ৰেংকিঙৰ প্ৰথম স্থানত আছে। একেদৰে ডব্লিউ টি এ ৰেংকিঙৰ আটাইতকৈ ওপৰত থকা ইগা স্বোইটেকে মহিলাৰ শীৰ্ষ বাচনি লাভ কৰিছে। পোলেণ্ডৰ স্বোইটেকে এতিয়ালৈ চাৰিটা গ্ৰেণ্ডশ্লেম খিতাপ জয় কৰিছে। আঘাতে বিপদত পেলোৱা জক'ভিচৰ ওপৰত এইবাৰ সকলোৰে দৃষ্টি নিবদ্ধ থাকিব। কিয়নো ৰাফেল নাদালে নাম প্ৰত্যাহাৰ কৰাৰ পিছত তেওঁৰ প্ৰতিদ্বন্দী নাই বুলি ক'বই পাৰি। ছাৰ্বিয়ান তাৰকাজনে গ্ৰেণ্ডশ্লেম খিতাপৰ সংখ্যা বৃদ্ধি কৰিব পাৰিব নে সেয়া সকলোৱে লক্ষ্য কৰিব।

# মেছিয়ে নাজানে সন্মান



**পেৰিছ, ১০ জানুৱাৰীঃ** আৰ্জেণ্টিনাৰ বিশ্ব জয়ী অধিনায়ক লায়নেল মেছিয়ে সন্মান নাজানে। এই অভিযোগ ফৰাচী ফুটবল ক্লাব পেৰিছ ছেইণ্ট-জাৰ্মাইনৰ অধ্যক্ষ নাচিৰ আল-খেলাইফীৰ। তেওঁ অভিযোগ কৰা মতে ২০২৩ চনত মেছিয়ে ক্লাবটো এৰাৰ পিছত ক্লাবটোৰ প্ৰতি অকনো সন্মান প্ৰদৰ্শন কৰা নাই। তেওঁ সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰাৰ লগতে ফৰাচী ফুটবল তাৰকা কেলিয়ান এমবাপে ক্লাবটোত থকতো বিচাৰিছে।



■ পথৰ দাঁতিত পোৰা মাকৈ কিনিছে মধ্য প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহানে

# বিধানসভাৰ চৌহদত আত্মহত্যাৰ চেষ্টা এটা পৰিয়ালৰ ৮ সদস্যৰ

**অনলাইন ফিচাৰ্ছ, ১০ জানুৱাৰীঃ** ডিঙিলৈকে ধাৰত পোত গৈ সৰ্বস্ৰান্ত হৈ পৰা এটা পৰিয়ালে মুখ্যমন্ত্ৰীৰ সহায় বিচাৰি বিফল হোৱাৰ পিছতে বিধানসভাৰ চৌহদত গাত তেল ঢালি জুই জ্বলাই আত্মহত্যা কৰাৰ চেষ্টা কৰাৰ ঘটনাই সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ। ধাৰত পোত যোৱা পৰিয়ালটোৰ বাসগৃহটো শেহতীয়াকৈ নিলাম হোৱাৰ পিছতে এনেদৰে বিধানসভাৰ চৌহদত আত্মহত্যাৰ চেষ্টা চলায় পৰিয়ালটোৰ শিশু আৰু মহিলাসহ ৮ সদস্যই। অৱশ্যে উপস্থিত আৰক্ষীয়ে লগে লগে আটক কৰে আটাইকেইজনক। এই ঘটনা সংঘটিত হৈছে কৰ্ণাটকত। পৰিয়ালৰ সূত্ৰ অনুসৰি, ২০১৬ চনত বাংগালুৰুৰ সমবায় বেংকৰ পৰা ৫০ লাখ টকাৰ ঋণ লৈ আদাৰ খেতি আৰম্ভ কৰিছিল পৰিয়ালটোৱে। কিন্তু খেতিত তীব্ৰ লোকচানৰ সন্মুখীন হোৱাৰ ফলত তেওঁলোকৰ বাবে ঋণ পৰিশোধ কৰাটো কাৰ্যতঃ অসম্ভৱ হৈ পৰে। এনে পৰিস্থিতিত ঋণগ্ৰস্ত পৰিয়ালটোৱে বাৰে বাৰে কৰ্ণাটক চৰকাৰৰ মন্ত্ৰী জমিৰ আহমেদ খানক সাক্ষাৎ কৰি সহায়ৰ বাবে কাতৰ অনুৰোধ জনায় যদিও ইয়াৰ পৰা কোনো সমাধান লাভ নকৰে পৰিয়ালটোৱে। শেষত বেংক কৰ্তৃপক্ষই পৰিয়ালটোৰ বাসগৃহ নিলাম কৰি ঋণ আদায় কৰাৰ সিদ্ধান্ত লয়। ইয়াৰ পিছতে পৰিয়ালৰ লোকে মুখ্যমন্ত্ৰী সিদ্ধাৰমাইয়াৰ পৰা ন্যায় বিচাৰি কাতৰ আহ্বান জনায়। বুধবাৰে পৰিয়ালটোৰ ৮ সদস্যই কৰ্ণাটক বিধানসভাত উপস্থিত হৈ মুখ্যমন্ত্ৰীক সাক্ষাতৰ প্ৰয়াস কৰে। পৰিয়ালটোৰ এগৰাকী মহিলা সদস্যই কয়, "মই মুখ্যমন্ত্ৰীৰ পৰা ন্যায় বিচাৰি আহিছো। চৰকাৰে যদি আমাক সহায় নকৰে, তেন্তে আমি ৰাজপথত দিন পাৰ কৰিব লাগিব। ল'ৰা-ছোৱালীৰ খাদ্য কিনিবলৈও টকা নাই। মন্ত্ৰী জমিৰ আহমেদ খানে আমাক আশ্বাস দিছিল যদিও কোনো লাভ নহ'ল।" ইফালে বিধানসভাত মুখ্যমন্ত্ৰীৰ সাক্ষাৎ লাভ নকৰাৰ পিছতে পৰিয়ালটোৰ আটাইকেইজন সদস্যই গাত কেৰাচিন ঢালি আত্মহত্যাৰ চেষ্টা চলায়। অৱশ্যে আৰক্ষীয়ে ততাতৈয়াকৈ আটাই কেইজনক আটক কৰে। তেওঁলোকৰ বিৰুদ্ধে আত্মহত্যাৰ চেষ্টাৰ গোচৰো ৰুজু কৰা হৈছে।